# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## মঙ্গলবাৰ, ২৫ মাৰ্চ, ২০২৫

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ন্যায়িক, পৰ্য্যটন, সাধাৰণ প্ৰশাসন, বিত্ত, মহিলা আৰু শিশু উন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয়ঃ* **সচিবালয়ৰ বিষয়াৰ পদোন্নতি সন্দৰ্ভত**

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ

* ২৪১। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানলৈ (২০২৫ চনৰ জানুৱাৰী মাহলৈ) অসম সচিবালয়ত কিমান সংখ্যক খালী পদ পূৰণ নকৰাকৈ পৰি আছে? (অতিৰিক্ত সচিব, যুটীয়া সচিব, অৱৰ সচিব আৰু শাখা বিষয়াৰ পদ সমূহ)।

(খ) অৱৰ সচিবৰ পৰা উপ-সচিবলৈ পদোন্নতি নোপোৱাকৈ কিমানটা পদ খালী আছে? ২০২৪ চনৰ ২৩-০২-২০২৪ তাৰিখে সচিবালয়ত নতুনকৈ ১৫ টা উপ-সচিব পদ নতুনকৈ সৃষ্টি কৰিছিল আৰু চলিত ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহলৈ খালী পদৰ সংখ্যা ৪০ টাৰো অধিক পদ খালী হৈ থকাৰ পিছতো কিয় পূৰণ কৰাৰ ব্যৱস্থা কৰা হোৱা নাই? অৱৰ সচিব পদৰ পৰা উপ-সচিব পদলৈ পদোন্নতি পাবলৈ চাকৰি শিথিলকৰণ বিধি অনুযায়ী (Service Relaxation Rule) দুই বছৰ সম্পূৰ্ণ হ'বলৈ ১/২ মাহ বাকী থাকিলেও পদোন্নতি দিয়াৰ ব্যৱস্থা আছেনে?

(গ) যোৱা ২৩-১০-২০২৪ তাৰিখৰ শাখা বিষয়া সকলৰ পদোন্নতিৰ ক্ষেত্ৰত এই বিধি প্ৰযোজ্য হৈছিল নে? যদি হৈছিল উক্ত অৱৰ সচিব সকলৰ ক্ষেত্ৰত কিয় প্ৰযোজ্য কৰি পদোন্নতি দিয়া নাই?

(ঘ) যোৱা ৩১-১-২০২৫ তাৰিখে ৰাজ্য চৰকাৰৰ মুখ্য সচিবৰ অধ্যক্ষতাত এখনি DPC অনুষ্ঠিত কৰি সহ শাখা বিষয়াৰ পৰা শাখা বিষয়ালৈ ১৩ পদৰ পদোন্নতি কৰা হয়। কিন্তু সেই DPC ত অনুমোদন কৰা বাকী পদ সমূহ কিয় পদোন্নতি দিয়া হোৱা নাই? সদনত জনাব।

*বিষয়ঃ* **জল-জীৱন মিছন আঁচনিৰ সম্পৰ্কত।**

শ্ৰীমতী শিৱামণি বৰা ঃ

* ২৪২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাত জল-জীৱন মিছনত মুঠ কিমান খন আঁচনি অনুমোদন হৈছিল?

সমষ্টি ভিত্তিত আঁচনিৰ অনুমোদিত ধন, ৱৰ্ক অৰ্ডাৰ দিয়া তাৰিখ সহ বিতং তথ্য দাখিল কৰিব।

(খ) জিলা খনত অনুমোদিত কিমানখন আঁচনি সম্পূৰ্ণ হ'ল? সম্পূৰ্ণ হোৱা প্ৰত্যেক আঁচনিয়ে কিমান পৰিয়ালক নিয়মীয়াভাৱে খোৱাপানী যোগান ধৰি আছে? সমষ্টি ভিত্তিত তথ্য দাখিল কৰিব।

*বিষয় ঃ* **অসম ৰাজ্যিক হাউচিং বৰ্ডৰ আৱাস**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

* ২৪৩। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীৰ ক'ত ক'ত আৰু কিমান অসম ৰাজ্যিক হাউচিং বৰ্ডৰ কি শ্ৰেণীৰ আৱাস আছে? বিতংকৈ জনাব।

(খ) এই আৱাস গৃহ সমূহ কোন কোন ব্যক্তিৰ নামত আৱণ্টন দিয়া হৈছিল আৰু তেওঁলোকে এই আৱাস সমূহত বাস কৰি আছেনে? আৱণ্টন দিয়া ব্যক্তিৰ নাম সহ বিতং তথ্য দাখিল কৰিব।

(গ) বৰ্তমান খালী আৱাস গৃহ আছেনে?

(ঘ) শ্ৰেণী বহিৰ্ভূত আৰু গুৱাহাটীত ঘৰ, মাটি থকা লোকে আৱাস গৃহ দখল কৰি আছে নেকি? যদি আছে, খালী কৰা নাই কিয় আৰু যদি নাই, কি অনুসন্ধানৰ ভিত্তিত কোৱা হৈছে?

(ঙ) সকলো শ্ৰেণীৰ আৱাস গৃহ সমূহ এক উচ্চ স্তৰৰ তদন্ত কমিটীৰ দ্বাৰা তদন্ত কৰি নতুনকৈ আৱণ্টন দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(চ) বছৰত এই আৱাস গৃহ সমূহৰ পৰা চৰকাৰে কিমান ৰাজহ বা ধন আহৰণ কৰে?

*বিষয় ঃ* **বৰভাগ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্য্যালয় নিৰ্মাণ।**

শ্ৰীদিগন্ত বৰ্মন ঃ

* ২৪৪। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানটা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্য্যালয় আছে?

(খ) উক্ত কাৰ্য্যালয় সমূহ সমাজ কল্যাণ বিভাগৰ নিজৰ মাটিত অৱস্থিত নে?

(গ) বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত বৰভাগ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্য্যালয়টো বৰভাগ উন্নয়ন খণ্ডৰ এটা চৰকাৰী কৰ্মচাৰীৰ জৰাজীৰ্ণ আৱাসত চলি থকা সম্পৰ্কে মহিলা আৰু শিশু উন্নয়ন বিভাগ জ্ঞাতনে?

(ঘ) যদি জ্ঞাত, বৰভাগ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্য্যালয়টো নিজৰ মাটিত নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **বিজনী নগৰত উপযুক্ত পানী নিষ্কাশনৰ ব্যৱস্থাৰ লগতে নগৰৰ সৌন্দৰ্য্য বৰ্দ্ধন প্ৰসঙ্গত।**

শ্ৰীঅজয় কুমাৰ ৰায় ঃ

*২৪৫। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিজনী চহৰত পানী নিষ্কাশনৰ বাবে উপযুক্ত নলাৰ ব্যৱস্থা নথকাৰ বাবে বিজনীবাসী ৰাইজে বিভিন্ন অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে লগতে বৰ্দ্ধিত জনসংখ্যাৰ

সৈতে নগৰৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ প্ৰয়োজনীয়তাও খুবেই প্ৰাসংগিক। গতিকে চৰকাৰে উপযুক্ত পানী নিষ্কাশন তথা সৌন্দৰ্য্যায়নৰ কিবা চিন্তা কৰিছেনে? যদি কৰা নাই, তেতিয়াহ'লে অতি শীঘ্ৰেই ইয়াৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবনে? সবিশেষ জনাব।

*বিষয় ঃ* **পৰ্য্যটকৰ আকৰ্ষণ সম্পৰ্কে।**

শ্ৰীৰূপক শৰ্মা ঃ

* ২৪৬। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও চহৰৰ নিচেই কাষতে থকা হাঁহিলা বিল বিভিন্ন পৰিভ্ৰমী চৰাইৰ আশ্ৰয় স্থলৰ লগতে পৰ্য্যটকৰ বাবে এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এই বিলখন পৰ্য্যটকৰ আকৰ্ষণৰ লগতে উন্নীতকৰণৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি?

(খ) যদি লৈছে, এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) কেতিয়াৰ পৰা বিলখনৰ উন্নীতকৰণৰ কাম আৰম্ভ হ'ব? (বিতংভাৱে জনাব)।

*বিষয় ঃ* **PMAY প্ৰকল্প সম্পৰ্কিত।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

*২৪৭। মাননীয় Panchayat & Rural Development বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাইবেন কি ঃ

(ক) আসামে PMAY প্ৰকল্পের অধীনে প্ৰকল্প 2 এর আওতায় মোট কতগুলি গৃহ বরাদ্ধ হইয়াছে? তার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(খ) আসামের অনেক হিতাধিকারীরা ওই গৃহদ্ধারা উপকৃত হইয়াছেন তাহার জন্য সরকারকে ধন্যবাদ জানাই। কিন্তু এখনো অনেক দরিদ্রশ্রেণীর মানুষ ওই গৃহপ্রাপ্তি হইতে বঞ্চিত, এই ব্যাপারে সরকার কী অবগত? যদি অবগত, তবে কবে নাগাদ এই ব্যাপারে পদক্ষেপ নেবেন? তাহা সদনে প্রকাশের জন্য অনুরোধ জানাই।

(গ) কাঠিগড়া সমষ্টিতে অনেক গৃহ এখনো GEO TAG হয় নাই তাই জনসার্থে অনুরোধ যে GEO TAG যেন অতিসত্বর করা হয়।

(ঘ) কাঠিগড়া সমষ্টির কোন কোন গ্রামকে MODEL VILLAGE হিসাবে অনুমোদন দেওয়া হয়েছে এবং কোন কোন গ্রামে কত শতাংশ কাজ হইয়াছে, তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(ঙ) PMAY প্রকল্পের অধীনে কাঠিগড়ায় বরাদ্ধকৃত গৃহ নির্মানের কাজ কত শতাংশ হইয়াছে এবং কত শতাংশ বাকী, তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **আৱাস গৃহ নিৰ্মাণ সম্পৰ্কে।**

শ্ৰীধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

*২৪৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

সোণাৰী সমষ্টিৰ অন্তৰ্গত চাহ বাগিচা এলেকাত (লাইনত) বসবাস কৰা বৰ্তমানলৈকে কিমান সংখ্যক চাহ শ্ৰমিকৰ প্ৰধানমন্ত্ৰী আৱাস গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ল আৰু কিমান সংখ্যক চাহ শ্ৰমিকৰ প্ৰধানমন্ত্ৰী আৱাস গৃহ নিৰ্মাণ কৰিবলৈ বাকী আছে, এই বিষয়ে সবিশেষ জনাবনে?

*বিষয় ঃ* **জলজীৱন মিছনৰ অধীনত তিতাবৰৰ গাঁওসমূহত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থাৰ বিষয়ে।**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱা ঃ

*২৪৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে জল জীৱন মিছনৰ অধীনত এতিয়ালৈকে শতকৰা কিমানখন গাঁৱত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰিব পাৰিছে? তথ্য সহকাৰে জনাব।

(খ) চৰকাৰে কেতিয়ালৈ নিয়মীয়াকৈ তিতাবৰৰ গাঁও সমূহত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব? জনাব।

*Subject :* **Rural Roads**

Shri Misbahul Islam Laskar :

* 250. Will the Minister of Panchayat and Rural Development Department be pleased to state :

(a) How many schemes of rural roads etc. have been taken up under MGNREGA in Borkhola and Shalchapra Block in 2024-25 ?

(b) How many of the roads are under C.C. Block ?

(c) Furnish the names of the roads and G.P.

(d) Furnish all other schemes taken up in MGNREGA in Shalchapra and Borkhola Block.

*Subject :* **Development of Places for tourist interest.**

Shri Abdur Rashid Mandal :

* 251. Will the Minister of Tourism Department be pleased to furnish :

(a) With reference to replies to unstarred question no-79 (c) dated 13-09-2022 regarding development of places of tourists destinations, please furnish in details about steps taken for development of the following places of tourists destination in Goalpara district.

i) Construction of Tourist Guest House at the Assam's cleanest village Rangshapara.

ii) Construction of Pratima Pandey Barua Cultural Complex and Park at Lakhipur town.

iii) Construction of Tourist Bunglow at Bhaibhoni Thaan.

iv) Construction of Tourist Bunglow at Pakhritary Khankah.

(b) With reference to replies to starred question no-16 (b) dated 12/7/2021, whether the Tourism department conducted study or not for the following places from the point of view of the development of Tourist facilities.

i) Paglartek mandir and Archaeological Site

ii) Dodan Thaan

iii) Bhaibhoni Thaan

iv) Joybhum Kamakhya Mandir

v) Rangshapara Cleanest village.

c) If study is conducted, please furnish the study report. If study is not conducted till now, will Govt. conduct the study ? If yes, when ? If not, why ?

*বিষয় ঃ* **মডেল অঙ্গনবাদী কেন্দ্ৰ।**

শ্ৰীছামছুল হুদা ঃ

* ২৫২। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৭ নং পূৱ বিলাসীপাৰা সমষ্টিত কিমানটা অংগনবাদী ঘৰ নতুনকৈ নিৰ্মাণ কৰা হ'ল? নিবিদা লাভ কৰা কমিটী সমূহৰ নাম সহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) অসমত নতুনকৈ ম'ডেল অংগনৱাদী কেন্দ্ৰ নিৰ্মাণৰ প্ৰস্তাৱ হাতত লৈছে নেকি? যদি লৈছে, কিমানটা মডেল অংগনৱাদী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব।

(গ) ২৭ নং পূৱ বিলাসীপাৰা সমষ্টিত কিমানটা মডেল অংগনৱাদী কেন্দ্ৰ নিৰ্মাণ হ'ব? তথ্য দাখিল কৰিব।

*Subject :* **Schemes of Mariani Municipality Board.**

Shri Rupjyoti Kurmi :

* 253. Will the Minister of Housing and Urban Affairs Department be pleased to state :

(a) Has the State Govt. taken any schemes for the Development of Mariani Municipality Board ?

(b) If yes, Please furnish details data of the schemes name, amount sanction, guidelines, all relevant documents ?

(c) Will the State Govt. take urgent step for the Drinking Water facility for the Mariani Municipality Board area Public ?

(d) If yes, by When ?

*বিষয় ঃ* **পদ পথৰ ব্যৱসায়ী আৰু বস্তি এলেকা।**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

*২৫৪। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰী জৰীপ অনুসৰি গুৱাহাটীত বৰ্তমান কিমানজন পদপথৰ ব্যৱসায়ী আছে?

(খ) ২০১৪ চনৰ বলবৎ হোৱা পদপথৰ ব্যৱসায়ীৰ সুৰক্ষা আইন প্ৰনয়ণৰ ক্ষেত্ৰত কি কি ব্যৱস্থা লোৱা হৈছে?

(গ) পদপথৰ ব্যৱসায়ীৰ বাবে প্ৰস্তাৱিত ভেণ্ডিংজ'নৰ নিৰ্মাণ কাৰ্য্যৰ বৰ্তমানৰ অগ্ৰগতিৰ খতিয়ান সদনত দাখিল কৰিব।

(ঘ) গুৱাহাটীৰ বাবে গঠিত "Town Vending Committee" ৰ বৰ্তমানৰ অৱস্থান, অনুষ্ঠিত বৈঠকৰ সিদ্ধান্তসমূহৰ বিষয়ে সদনত তথ্য দিব।

(ঙ) পদ পথৰ ব্যৱসায়ীসকলৰ সমস্যা সমাধানৰ বাবে চৰকাৰে কিমান পুঁজি আৱণ্টন দিছিল আৰু কিমান ব্যয় হ'ল?

(চ) অসমৰ জিলা সমূহৰ লগতে গুৱাহাটী মহানগৰত কেইখন পঞ্জীয়নকৃত,

অধিসূচীত আৰু চিনাক্তকৰণ কৰা বস্তি আছে?

(ছ) গুৱাহাটীৰ লগতে অসমৰ অন্য জিলাৰ বস্তিসমূহক অধিসূচনা কৰা হৈছে নেকি?

(জ) যদি হৈছে, তেনেহ'লে বস্তিবোৰক অধিসূচীত কৰিবলৈ কেনে ধৰণৰ ব্যৱস্থা লোৱা হৈছে?

(ঝ) যদি লোৱা নাই, কিয়?

(ঞ) গুৱাহাটীত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ উপাদান ISSR ৰ এতিয়ালৈকে কাৰ্য্যকৰী কৰা হৈছে নে?

(ট) যদি হৈছে, কি প্ৰক্ৰিয়াৰে কাৰ্য্যকৰী কৰিবলৈ লোৱা হৈছিল? যদি লোৱা নাই, কিয়?

*বিষয়ঃ* **MGNREGA ৰ Payment সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

*২৫৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিত ৰূপায়ণ হোৱা (২০২১ চনৰ পৰা ২০২৪ চনলৈকে) MGNREGA কামৰ কিমান টকাৰ বিল Wage ৰ বাবদ দিয়া হৈছে? আৰু কিমান টকাৰ বিল Materials ৰ বাবদ দিয়া হৈছে? তথ্য সহকাৰে জনাব।

(খ) ২০২১ চনৰ পৰা আজিলৈকে জলেশ্বৰ সমষ্টিত কিমান টা PMAY ৰ ঘৰ সম্পূৰ্ণ হৈছে? আৰু কিমানটা PMAY ৰ ঘৰ সম্পূৰ্ণ হোৱা নাই? তথ্য সহকাৰে জনাব।

*বিষয়ঃ* **CIDF আৰু UIDF ৰ অধীনত নগৰ সমূহত লোৱা প্ৰকল্পসমূহৰ ৰূপায়ণ।**

শ্ৰীঅখিল গগৈ ঃ

* ২৫৬। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) CIDF আৰু UIDF ৰ অধীনত অসমৰ কোন কোন নগৰত কি কি প্ৰকল্প / আঁচনি প্ৰদান কৰা হ'ল? সেই বোৰত আৱণ্টিত ধনৰ পৰিমাণ আৰু কামৰ অগ্ৰগতি (শতাংশত) অৱগত কৰিব।

(খ) শিৱসাগৰ নগৰত CIDF আৰু UIDF ৰ অধীনত কি কি প্ৰকল্প / আঁচনি লোৱা হৈছে পুঁজিৰ পৰিমাণ আৰু অগ্ৰগতি (শতাংশত)ৰ পৰিমাণ অৱগত কৰিব।

(গ) শিৱসাগৰ নগৰ আৰবান ৱাটাৰ চাপ্লাই প্ৰকল্পটোৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ, কোন কোন আঁচনিৰ পৰা সেই ধন আহিছে তাৰ বিৱৰণ আৰু কামৰ অগ্ৰগতি (শতাংশত) অৱগত কৰিব। কেতিয়াৰ ভিতৰত শিৱসাগৰ নগৰৰ ১০০ শতাংশ নাগৰিকে পাইপৰ পানী লাভ কৰিব?

*বিষয়ঃ* **চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনি সম্পৰ্কে।**

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

*২৫৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ ধন গাঁও পঞ্চায়ত বা আঞ্চলিক পঞ্চায়তৰ মুখ খাতা (Mother

Account) ৰ যি সুতৰ ধন আয় হয়, সেই ধন খৰছ কৰাৰ বাবে কিবা নিয়ম আছেনে? বিতংকৈ জনাব।

(খ) ধুবুৰী জিলাৰ অন্তৰ্গত গোলকগঞ্জ সমষ্টিৰ আগমনি আৰু গোলকগঞ্জ উন্নয়ন ব্লকৰ গাঁও পঞ্চায়ত ভিত্তিক চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ, গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ সুতৰ ধনৰ কি আঁচনি লৈছে? বিতংকৈ জনাব লগতে কামৰ অগ্ৰগতিৰ খতিয়ানো তুলি ধৰিব।

(গ) আগমনি আৰু গোলকগঞ্জ উন্নয়ন খণ্ডৰ লগত জড়িত কিমান জন Vendo আছে? Vendo সকলৰ তালিকা Registration নম্বৰৰ সৈতে সদনত দাখিল কৰিব।

(ঘ) কোন কোন Vendo ৰ গৰাকী ২০২০-২১ বিত্তীয় বৰ্ষৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষলৈ কিমান টকা লেনদেন কৰিলে? বিতংকৈ সদনত উল্লেখ কৰিব।

(ঙ) গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত Boterhat, Uttar Maragadadhar, Bidyardabri, Harirhat & Paglahat গাঁও পঞ্চায়তৰ চতুৰ্দশ বিত্তীয় আয়োগৰ ধনৰ বাবে কি কি আঁচনি লোৱা হৈছিল? তথ্য সহ কামৰ অগ্ৰগতিৰ খতিয়ান আৰু পুঁজি কিমান ব্যৱহাৰ হৈছে সদনত দাখিল কৰিব।

*বিষয় ঃ* **পৰ্য্যটন ক্ষেত্ৰ সম্পৰ্কে।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

*২৫৮। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান পৰ্য্যটন ক্ষেত্ৰ আছে? বিতংকৈ জনাব।

(খ) চলিত বছৰত বৰ্তমানলৈ কিমান দেশী-বিদেশী পৰ্য্যটক অসমলৈ আহিছে? নতুন পৰ্য্যটন ক্ষেত্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছেনে? যদি কৰিছে, বিতংকৈ জনাব।

(গ) পাকাবেতবাৰী সমষ্টিৰ অন্তৰ্গত কয়াকুছিৰ ঢাৰি শিল্প আৰু ঢাৰি শিল্পী সকলৰ বিষয়ে বিভাগ অৱগতনে? যদি অৱগত, এই ঢাৰি শিল্পৰ এলেকাত পৰ্য্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিব নেকি?

(ঘ) যদি অৱগত নহয়, ঢাৰি শিল্পৰ বিষয়ে বিভাগে অধ্যয়ন কৰিব নেকি?

*Subject :* **Utilization of accrued interest of 15th FC etc.**

Sherman Ali Ahmed :

* 259. Will the Minister of Panchayat and Rural Development Department be pleased to state :

(a) Whether char areas are identified as difficult area for PMAY-G ? If not, why ?

(b) What are the different design typologies for PMAY-G in Assam ?

(c) Is it true that, the interest accrued from 15th FC is to be utilized in the ratio 60:40 for tied and un-tied schemes respectively ?

(d) If yes, how the accrued interest of 15th FC under Baghbar LAC were allowed for utilization for un-tied schemes alone as revealed in reply to unstarred QN 96 dated 27-08-2024 ?

(e) Would the Govt. be pleased to cause an inquiry and fix responsibility for such financial irregularity ?

(f) Whether the DPs initiated vide no CPRD/14th FC/02/2021/199-200, CPRD/14th FC/02/2021/201-202 and CPRD/14th FC/02/2021/205, all dated 16-8-2024 respectively are concluded ? If yes, please furnish details.

(g) What amount of revenues were collected from different haat-ghats under Mandia block for the year 2021-22, 2022-23 and 2023-24 ? Please furnish year-wise details.

(h) What is the revenue collected for each haat-ghat during 2024-25 ? Please furnish details.

*বিষয় ঃ* **পৰ্য্যটন ক্ষেত্ৰৰ বৃদ্ধি।**

ডাঃ আছিফ মঃ নাজাৰ ঃ

*২৬০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত আৰু নতুনকৈ পৰ্য্যটকৰ কাৰণে পৰ্য্যটন স্থল বৃদ্ধি কৰা হৈছে নেকি?

(খ) বিগত ২০২১ বৰ্ষৰ পৰা বৰ্তমানলৈ অসমত অহা পৰ্য্যটকৰ হাৰ কিমান? তালিকাসহ প্ৰকাশ কৰিব।

(গ) মৰিগাঁৱৰ ঐতিহাসিক চাৰা বিলক পৰ্য্যটন ক্ষেত্ৰলৈ ৰূপান্তৰ কৰিবলৈ চৰকাৰে কিবা পদক্ষেপ লৈছে নে? যদি লোৱা নাই, অনাগত দিনত লোৱাৰ কোনো পৰিকল্পনা আছে নে? জনাব।

---